# NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 09-12-2025 **Time :** 1340 Hrs.

## *Assamese Midday Bulletin*
## *HEADLINES*

১। বিগত বৰ্ষৰ তুলনাত চলিত বৰ্ষত দেশত মুঠ খাদ্য-শস্যৰ উৎপাদন ৩৫৭ মিলিয়ন টন অতিক্ৰম কৰাৰ সম্ভাৱনা আছে।

২। অসামৰিক বিমান পৰিবহণৰ মহা সঞ্চালকালয়ে শেহতীয়া বিমান উৰণ বাতিল তথা বিলম্ব হৈ থকাৰ পৰিপ্ৰেক্ষিতত বিমানৰ উৰণসূচী ৫ শতাংশ হ্ৰাস কৰিবলৈ ইন্দিগ'ক নিৰ্দেশ দিছে।

৩। কেন্দ্ৰীয় চৰকাৰে ত্ৰিপুৰাৰ ৩০ টা বিশেষ প্ৰান্তীয় জনজাতীয় গোটৰ আবাসস্থানৰ যোগাযোগ ব্যৱস্থা ত্বৰান্বিত কৰাৰ উদ্দেশ্যে ২৫ টা পথ প্ৰকল্পৰ বাবে ৬৯ কোটি টকা মুকলি কৰিছে।

৪। চৰকাৰে বাওপন্থী উগ্ৰবাদৰ বিৰুদ্ধে শূন্য সহনশীলতাৰ নীতি গ্ৰহণ কৰা বুলি প্ৰকাশ কৰিছে।

আৰু

৫। কটকৰ বাৰাবতী ষ্টেডিয়ামত আজি দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে ভাৰতে আজি পাঁচখনীয়া টি-২০ শৃংখলাৰ প্ৰথমখন খেলত অৱতীৰ্ণ হ'ব।

0000000

বিগত বৰ্ষৰ তুলনাত চলিত বৰ্ষত দেশত মুঠ খাদ্য-শস্যৰ উৎপাদন ৭ দশমিক ৬ - ৫ শতাংশ বৃদ্ধি হৈ ৩৫৭ মিলিয়ন টন অতিক্ৰম কৰাৰ সম্ভাৱনা আছে। লোকসভাত প্ৰশ্নোত্তৰ কালত পৰিপূৰক প্ৰশ্নৰ উত্তৰত কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে আজি এই কথা প্ৰকাশ কৰে। কেন্দ্ৰীয় চৰকাৰৰ নীতি তথা কৃষকসকলৰ পৰিশ্ৰমৰ জৰিয়তে এয়া সম্ভৱ হৈ উঠিছে। ২০২৪-২৫ বৰ্ষত দেশত আটাইতকৈ অধিক শস্যৰ উৎপাদনেৰে অভিলেখ সৃষ্টি হোৱা বুলি তেওঁ প্ৰকাশ কৰে। ২০১৪-১৫ বৰ্ষৰ তুলনাত দেশত খাদ্য শস্যৰ উৎপাদন ৪২ শতাংশ বৃদ্ধি হোৱা বুলি তেওঁ সদৰি কৰে। প্ৰাকৃতিক দুৰ্যোগৰ বাবে খাদ্য শস্য ক্ষতিগ্ৰস্ত হোৱাৰ কথা উল্লেখ কৰি তেওঁ কয়, যে চলিত বৰ্ষত মহাৰাষ্ট্ৰ, পঞ্জাব, জম্মু-কাশ্মীৰ, উত্তৰাখণ্ড আৰু হিমাচল প্ৰদেশ প্ৰাকৃতিক দুৰ্যোগৰ সন্মুখীন হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু গৃহমন্ত্ৰী অমিত শ্বাহে পৰিস্থিতিৰ বুজ ল'বলৈ প্ৰভাৱিত ৰাজ্যসমূহ পৰিদৰ্শন কৰা বুলিও তেওঁ উল্লেখ কৰে। দুৰ্যোগ ব্যৱস্থাপনাৰ বাবে কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰসমূহৰ প্ৰতি সকলো সাহায্য আগবঢ়োৱা বুলি শ্ৰী চৌহানে প্ৰকাশ কৰে। ৰাজ্যিক দুৰ্যোগ সঁহাৰি পুঁজিৰি অধীনত ২০২১-২২ বৰ্ষৰ পৰা ২০২৫-২৬ বৰ্ষৰ সময়ছোৱাত ১ লাখ ২৮ হাজাৰ কোটিতকৈও অধিক ধনৰ আবণ্টন দিয়া হৈছে বুলিও তেওঁ সদৰি কৰে। ২০০৪ৰ পৰা ১৪ চনৰ সময়ছোৱাত এই পুঁজিৰ অধীনত ৩৮ হাজাৰ কোটি টকাহে মুকলি কৰা হৈছিল বুলি উল্লেখ কৰি নৰেন্দ্ৰ মোদী চৰকাৰে এই পুঁজি ১ লাখ ২৪ হাজাৰ কোটি টকালৈ বৃদ্ধি কৰিছে।

000000000

অসামৰিক বিমান পৰিবহণ মহা সঞ্চালকালয়ে শেহতীয়া বিমান উৰণ বাতিল তথা বিলম্ব হৈ থকাৰ পৰিপ্ৰেক্ষিতত বিমানৰ উৰণসূচী ৫ শতাংশ হ্ৰাস কৰিবলৈ ইন্দিগ’ক নিৰ্দেশ দিছে। চলিত বছৰৰ শীতকালীন সূচী অনুসৰি ইন্দিগ’ক প্ৰতি সপ্তাহত ১৫ হাজাৰতকৈ অধিক উৰণৰ অনুমতি দিয়া হৈছিল বুলি নিৰ্দেশটোত উল্লেখ কৰা হয়। এই অনুসৰি নৱেম্বৰত ৬৪ হাজাৰ উৰণ সম্পূৰ্ণ হ’ব লাগিছিল যদিও এই সময়ছোৱাত ইন্দিগ’ই ৬০ হাজাৰতকৈও কম সংখ্যক উৰণহে সম্পূৰ্ণ কৰিবলৈ সমৰ্থ হৈছে বুলি নিৰ্দেশটোত উল্লেখ কৰা হয়। তদুপৰি গ্ৰীষ্মকালত ৩৫১ খন বিমানৰ পৰা শীতকালত ৪০৩ খন বিমানৰ উৰণ অৰ্থাৎ প্ৰায় ৬ শতাংশ অধিক বিমানৰ উৰণৰ বাবে প্ৰতিষ্ঠানটোক অনুমতি দিয়া হৈছিল যদিও ইন্দিগ’ই অক্টোবৰত ৩৩৯ খন আৰু নৱেম্বৰত ৩৪৪ খন বিমানৰহে উৰণ সম্পূৰ্ণ কৰিবলৈ সমৰ্থ হয়। ইয়াৰ পৰিপ্ৰেক্ষিতত সঞ্চালকালয়ে কাইলৈ সন্ধিয়া ৫ বজাৰ পূৰ্বে সংশোধিত নতুন সূচী প্ৰস্তুত কৰিবলৈ ইন্দিগ’ক নিৰ্দেশ দিছে।

০০০০০০০০০

কেন্দ্ৰীয় চৰকাৰে ত্ৰিপুৰাৰ ৩০ টা বিশেষ প্ৰান্তীয় জনজাতীয় গোটৰ আবাসস্থানৰ যোগাযোগ ব্যৱস্থা ত্বৰান্বিত কৰাৰ উদ্দেশ্য আগত ৰাখি ৰাজ্যখনত ২৫ টা পথ প্ৰকল্পৰ বাবে ৬৯ কোটি টকা মুকলি কৰিছে। গ্ৰামোন্নয়ন মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি প্ৰধানমন্ত্ৰী জনজাতি আদিবাসী ন্যায় মহা অভিযানৰ পথ যোগাযোগ সুবিধাৰ অধীনত এই প্ৰকল্পসমূহ মুকলি কৰা হৈছে। এই পদক্ষেপসমূহে এই অঞ্চলসমূহৰ আৰ্থ-সামাজিক পৰিস্থিতি উন্নীত কৰাৰ লগতে ৰাজ্যখনৰ অৰ্থনৈতিক উন্নয়ন তথা ব্যৱসায় আৰু বাণিজ্য ত্বৰান্বিত কৰিব।

০০০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুয়ে আজি নতুন দিল্লীত ২০২৩-২৪ বৰ্ষৰ বাবে হস্তশিল্পী বঁটা প্ৰদান কৰিব। প্ৰতিৰ্ষ্ঠিত তথা দক্ষ হস্তশিল্পীসকলক সন্মানিত কৰাৰ বাবে এই বঁটাসমূহ প্ৰদান কৰা হয়। বস্ত্ৰ মন্ত্ৰালয়ে এটা বিবৃতিযোগে প্ৰকাশ কৰা অনুসৰি এই প্ৰতিষ্ঠিত ৰাষ্ট্ৰীয় সন্মান অসাধাৰণ নিপুণতা প্ৰদৰ্শন কৰা হস্তশিল্পীসকললৈ আগবঢ়োৱাৰ লগতে ভাৰতৰ বৈচিত্ৰ্যময় হস্তশিল্পৰ ঐতিহ্যৰ সংৰক্ষণ আৰু প্ৰচাৰ কৰাৰ উদ্দেশ্যে চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাকে প্ৰতিফলিত কৰে। এই বঁটা প্ৰদান অনুষ্ঠানত কেন্দ্ৰীয় বস্ত্ৰমন্ত্ৰী গিৰিৰাজ সিং আৰু বস্ত্ৰ ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা উপস্থিত থাকিব।

০০০০০০০

চৰকাৰে বাওপন্থী উগ্ৰবাদৰ বিৰুদ্ধে শূন্য সহনশীলতাৰ নীতি গ্ৰহণ কৰা বুলি প্ৰকাশ কৰিছে। অহা বছৰ মাৰ্চৰ পূৰ্বে দেশৰ পৰা বাওঁপন্থী উগ্ৰবাদ সম্পূৰ্ণ নিৰ্মূল কৰা হ’ব বুলি চৰকাৰে আজি সদৰি কৰে। লোকসভাৰ প্ৰশ্নোত্তৰ কালত পৰিপূৰক প্ৰশ্নৰ উত্তৰত গৃহ ৰাজ্যমন্ত্ৰী নিত্যানন্দ ৰায়ে কয়, যে কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰসমূহৰ সহযোগিতাৰে দেশৰ পৰা বাওঁপন্থী উগ্ৰবাদ নিৰ্মূল কৰাৰ প্ৰয়াস অব্যাহত ৰাখিছে। তেওঁ কয়, যে বাওঁপন্থী উগ্ৰবাদে সংবিধানৰ লগতে গণতন্ত্ৰৰ ওপৰতো বিশ্বাস নাৰাখে তেওঁ কয়, যে বাওঁপন্থী উগ্ৰবাদত কেইবাহাজাৰ নিৰিহ লোক নিহত হোৱাৰ লগতে বহু শিশু অনাথ হৈ পৰিছে। ১৯৬৭ চনৰ পৰা এই সমস্যাই দেশত বহু প্ৰতিবন্ধকতাৰ সৃষ্টি কৰা বুলি উল্লেখ কৰি তেওঁ কয়, যে পূৰ্বৰ চৰকাৰসমূহে বাওঁপন্থী উগ্ৰবাদক কেৱল ৰাজ্যসমূহৰ সমস্যা হিচাপে গ্ৰহণ কৰিছিল। পূৰ্বে কেন্দ্ৰীয় চৰকাৰে এই সমস্যাৰ বিৰুদ্ধে কোনো শক্তিশালী নীতি গ্ৰহণ কৰা নাছিল বুলিও তেওঁ উল্লেখ কৰে। নিৰাপত্তা সম্পৰ্কীয় ব্যয় আঁচনিৰ অধীনত ৩ হাজাৰ ৫৩২ কোটি টকাৰ পুঁজি মুকলি কৰা হৈছে বুলিও মন্ত্ৰীগৰাকীয়ে সদৰি কৰে। তেওঁ কয়, যে ইয়াৰ

লগতে কেন্দ্ৰীয় চৰকাৰৰ বিশেষ সাহায্যৰ অধীনত ৩ হাজাৰ, ৮৪৮ কোটি টকা মুকলি কৰা হৈছে। দেশত উপযুক্ত প্ৰশিক্ষণ ব্যৱস্থাসহ ৭০৬ খন আৰক্ষী চকী স্থাপনৰো ব্যৱস্থা কৰা হৈছে। ২০ হাজাৰ ৮১৫ কোটি টকা মঞ্জুৰ কৰাৰ জৰিয়তে ১৭ হাজাৰ কিলোমিটাৰ পথ নিৰ্মাণৰ কাম অব্যাহত আছে বুলি উল্লেখ কৰি তেওঁ কয়, যে এই পথসমূহৰ ৮৫ শতাংশ কাম-কাজ ইতিমধ্যে সম্পূৰ্ণ হৈ উঠিছে। দেশত ১০ হাজাৰতকৈও অধিক ম'বাইল টাৱাৰ স্থাপন কৰা হৈছে বুলিও তেওঁ প্ৰকাশ কৰে। ২০০৪ৰ পৰা ১৪ চনৰ দশকটোত ১৬ হাজাৰতকৈও অধিক হত্যা-হিংসাৰ ঘটনা সংঘটিত হৈছিল বুলি উল্লেখ কৰি তেওঁ কয়, যে বিগত ১০ বছৰত এই সংখ্যা ৭ হাজাৰলৈ হ্ৰাস হৈছে। এই সময়ছোৱাত অসামৰিক লোকৰ মৃত্যুৰ হাৰ ৭০ শতাংশ হ্ৰাস হোৱা বুলিও তেওঁ উল্লেখ কৰে।

ooooooooo

প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ **ভাৰত ৰণভূমি দৰ্শন**ৰ অংশ হিচাপে ছিক্কিমে অহা ১২ ডিচেম্বৰৰ পৰা ছিক্কিমত বিশেষ ছুপাৰ কাৰ ৰেলী আয়োজন কৰিব। এই ৰেলীত ১৭ খন উচ্চ ক্ষমতাসম্পন্ন গাড়ী ৰাজ্যখনত অতি পাহাৰীয়া দুৰ্গম পথৰ মাজেৰে যাত্ৰা কৰি যুদ্ধ ক্ষেত্ৰ আৰু সীমান্ত পৰ্যটনক প্ৰসাৰিত কৰিব।

অহা ১৫ ডিচেম্বৰত সমাপ্ত হ'বলগীয়া এই ৰেলী পশ্চিমবংগৰ চুকনাৰ পৰা ফ্লেগ অফ কৰা হয়। এই ৰেলীয়ে শিলিগুড়ি-গেংটক-ছ'লা, নাথুলা, জালুকচাৰ্কিট সামৰি ল'ব।

ভাৰতীয় সেনা বাহিনীৰ ত্ৰিশক্তি ক্ৰ'পছ্ আৰু ছিক্কিম চৰকাৰৰ সহযোগত অনুষ্ঠিত এই ৰে'লীৰ জৰিয়তে গাড়ী চলাই ভালপোৱা সকলৰ বাবে ছিক্কিমৰ শীৰ্ষ গন্তব্য স্থানসমূহ প্ৰদৰ্শন কৰা হ'ব। ৰেলীৰ সময়ছোৱাত ১০ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত গধূৰ যান-বাহনৰ যাতায়াতত নিষেধাজ্ঞা আৰোপ কৰা হৈছে।

ooooooooo

দেশৰ সংস্কৃতি আৰু আধ্যাত্মিক জীৱনত সংস্কৃত ভাষাৰ গুৰুত্ব আৰু প্ৰাসংগিকতা সন্দৰ্ভত আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আলোকপাত কৰে। এই প্ৰসংগতে শ্ৰী মোদীয়ে দূৰদৰ্শনৰ সুপ্ৰভাত অনুষ্ঠানটিৰ বিষয়েও উল্লেখ কৰে। এই অনুষ্ঠানত দেশৰ সংস্কৃতি আৰু প্ৰমূল্য প্ৰতিফলিত কৰা সংস্কৃত হিতোপদেশ প্ৰতিদিনে প্ৰচাৰ কৰা হয় বুলিও প্ৰধানমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমৰ জৰিয়তে প্ৰকাশ কৰে।

ooooooooo

ৰাজ্যসভাত ৰাষ্ট্ৰীয় গীত বন্দে মাতৰমৰ ডেৰশ বছৰীয়া বাৰ্ষিকী সন্দৰ্ভত আলোচনা কৰা হ'ব। নতুন দিল্লীত সাংবাদিকৰ আগত সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে কয়, যে গৃহমন্ত্ৰী অমিত শ্বাহে বন্দে মাতৰম সন্দৰ্ভত হ'বলগীয়া দুদিনীয়া আলোচনাত নেতৃত্ব দিব। উল্লেখযোগ্য যে ১৮৭৫ চনত বংকিমচন্দ্ৰ চেট্টাৰ্জীয়ে ৰাষ্ট্ৰীয় গীতটো ৰচনা কৰিছিল। ইপিনে, লোকসভাত নিৰ্বাচনৰ সংস্কাৰ সন্দৰ্ভত আলোচনা কৰা হ'ব।

ooooooooo

পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন ৰাজ্য মন্ত্ৰী কীৰ্তি ৰৰ্ধনে আজি কেনিয়াৰ নাইৰ'বিত ৰাষ্ট্ৰসংঘৰ পৰিৱেশ গোটৰ সপ্তম অধিৱেশনত অংশগ্ৰহণ কৰিব। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত শ্ৰী সিঙে কয়, যে কালি আৰম্ভ হোৱা পাঁচদিনীয়া কাৰ্যসূচীৰ এই বৈঠকত অংশগ্ৰহণ কৰা ১৯৩ খন দেশৰ ভিতৰত ভাৰতো অন্যতম। এই অধিৱেশনত জৈৱ বৈচিত্ৰ হানি আৰু জলবায়ু পৰিৱৰ্তনৰ দৰে পৰিৱেশ সম্পৰ্কীয় প্ৰত্যাহ্বান সন্দৰ্ভত আলোচনা কৰা হ'ব।

ooooooo

অপাৰেচন সাগৰবন্ধুৰ অংশ হিচাপে ভাৰতীয় সেনাই শ্ৰীলংকাত মানৱীয় সাহায্য সামগ্ৰী প্ৰেৰণ কাৰ্য অব্যাহত ৰাখিছে। উল্লেখযোগ্য যে, বিধংসী দ্বিত্বৱাহ ঘূৰ্ণী বতাহে শ্ৰীলংকাৰ যথেষ্ট ক্ষতি কৰে। ভাৰতে শ্ৰীলংকাৰ সেনা আৰু প্ৰশাসনৰ সৈতে সহযোগিতাৰে অভিযান্ত্ৰিক সহায় আৰু চিকিৎসা সেৱা আগবঢ়াই আহিছে।

প্ৰতিৰক্ষা মন্ত্ৰ্যালয়ে জনোৱা তথ্য অনুসৰি ভাৰতীয় সেনাৰ অভিযন্তা টাস্ক ফ'ৰ্ছে শ্ৰীলংকাৰ পথ উন্নয়ন কৰ্তৃপক্ষক সহায় কৰিবলৈ চকাযুক্ত এক্সেভেটৰ ব্যৱহাৰ কৰি জাফনাৰ ক্ষতিগ্ৰস্ত পুলিয়াম্পোকান্নাই দলং উদ্ধাৰ আৰু দি লন্সিঙৰ কাম আৰম্ভ কৰিছে। অভিযন্তা টাস্ক ফ'ৰ্ছৰ এই নিৰ্মাণ কাৰ্য দ্ৰুত গতিত অব্যাহত আছে আৰু এয়া কাইলৈৰ ভিতৰত সম্পূৰ্ণ হোৱাৰ আশা কৰা হৈছে। এই দলংখনৰ লগতে এখন বেইলি দলঙো ১৩ ডিচেম্বৰত মুকলি কৰা হ'ব।

OOOOOO

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে আজি চত্তিশগড়, মধ্যপ্ৰদেশ, ওড়িশা, পাঞ্জাব, তেলেংগানা আৰু বিদৰ্ভত শীত প্ৰবাহৰ পূৰ্বাভাষ প্ৰকাশ কৰিছে। বিভাগে আন্দামান আৰু নিকোবৰ দীপপুঞ্জৰ কোনো কোনো অঞ্চলত আজি বিজুলী আৰু ঢেৰেকনীৰ আগতীয়া প্ৰকাশ কৰিছে।

বতৰ বিজ্ঞান সংস্থাটোৱে আজি অসম, মেঘালয়, উত্তৰ প্ৰদেশৰ পূব অংশ, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰাৰ কোনো কোনো অঞ্চলত ঘন কুঁৱলী পৰাৰ সম্ভাৱনা ব্যক্ত কৰিছে।

OOOOO

২০২৬ বৰ্ষৰ বাবে আই পি এলৰ খেলুৱৈৰ নিলাম তালিকা চূড়ান্ত কৰা হৈছে। অহা ১৬ ডিচেম্বৰত আবু ধাবিত হ'বলগীয়া নিলাম প্ৰক্ৰিয়াৰ বাবে ৩৫০ গৰাকী ক্ৰিকেট খেলুৱৈক বাচনি কৰা হৈছে। এই প্ৰক্ৰিয়াৰ বাবে নাম পঞ্জীয়ন কৰা এহেজাৰ ৩৯০ গৰাকী খেলুৱৈৰ ভিতৰত ২৪০ গৰাকী ভাৰতীয় আৰু ১১০ গৰাকী বিদেশী খেলুৱৈকে ধৰি মুঠ ৩৫০ গৰাকী খেলুৱৈক বাচনি কৰা হৈছে।

OOOOOO

আলহী দল দক্ষিণ আফ্ৰিকাক শেহতীয়া এদিনীয়া শৃংখলাত পৰাজিত কৰি আত্মবিশ্বাসী হৈ থকা ভাৰতে আজি কটকৰ বাৰাবতী ষ্টেডিয়ামত দলটোৰ বিৰুদ্ধে পাঁচখনীয়া টি-২০ শৃংখলাৰ প্ৰথমখন খেলত অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। সূৰ্য কুমাৰ যাদৱে নেতৃত্ব দিবলগীয়া খেলখনত হাৰ্ডিক পাণ্ডিয়া আৰু শুভমন গিলেও অংশগ্ৰহণ কৰিব বুলি যাদৱে নিশ্চিত কৰিছে। বি চি চি আইয়ে মুকলি কৰা এটা ভিডিঅ'যোগে উপ-অধিনায়ক শুভমন গিলে প্ৰয়োজনীয় চিকিৎসাৰ অন্তত সুস্থ হৈ উঠা বুলি ইতিমধ্যে প্ৰকাশ কৰিছে। এই শৃংখলাৰ পৰৱৰ্তী খেলখন অহা বৃহস্পতিবাৰে চণ্ডীগড়ৰ মুল্লানপুৰত, তৃতীয়খন খেল ধৰমশালাত, চতুৰ্থখন খেল লক্ষ্ণৌত আৰু আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অন্তিম খেলখন অনুষ্ঠিত হ'ব।

OOOOOOOOO

সমাপ্ত